# যোহনৰ প্ৰথম পত্ৰ

১ ১আদিৰে পৰা তেওঁ আছিল, আমি যিহক শুনিলো,
নিজ চকুৰে দেখিলোঁ, যিহক চালোঁ, আৰু স্বয়ং নিজ
হাতেৰে স্পৰ্শও কৰিলো, যি বাক্য হৈছে জীৱন আমি
সেই বাক্যৰ বিষয়ে কৈছোঁ। ২সেই জীৱনৰ বিষয়ে আমাক
জনোৱা হল। আমি তাক দেখিলোঁ। আমি তাৰ সাক্ষ্য
দিছোঁ আৰু এতিয়া আমি তোমালোকৰ আগত অনন্ত
জীৱনৰ সংবাদ দিছোঁ যি পিতৃৰ লগত আছিল আৰু যিহৰ
বিষয়ে আমাক জনোৱা হল। ৩আমি তেওঁক দেখিছোঁ আৰু
শুনিছোঁ তাৰেই সংবাদ দিছোঁ যাতে তোমালোকে আমাৰে
সৈতে সহভাগিতা ৰাখা। আমাৰ এই সহভাগিতা পৰম পিতৃ
ঈশ্বৰ আৰু তেওঁৰ পুত্ৰ যীচু খ্ৰীষ্টৰ সৈতে আছে। ৪আমাৰ
আনন্দ যেন সম্পূৰ্ণ হয় তাৰ কাৰণে আমি এইবোৰ কথা
লিখিলো।

### ঈশ্বৰে আমাৰ পাপবোৰক ক্ষমা কৰে

৫আমি যীচু খ্ৰীষ্টৰ পৰা যি বাৰ্তা শুনিলো, সেয়ে এই আৰু
তোমালোককো জনাইছোঁ, ঈশ্বৰ পোহৰ আৰু তেওঁত
এফিৰও আন্ধাৰ নাই। ৬যদি আমি কওঁ আমাৰ তেওঁৰে
সৈতে সহভাগিতা আছে আৰু অন্ধকাৰময় জীৱন কটাওঁ
তেন্তে আমি মিছা কওঁ আৰু সত্যৰ অনুসৰণ কৰা নাই।
৭কিন্তু যদি আমি পোহৰত আগবাঢ়ি গৈছোঁ, কিয়নো
পোহৰেই ঈশ্বৰ, তেন্তে আমাৰ বিশ্বাসীৰ ৰূপত পৰস্পৰ
সহভাগিতা আছে, আৰু ঈশ্বৰৰ পুত্ৰ যীচুৰ তেজে সকলো
পাপৰ পৰা আমাক শুচি কৰে।
৮আমি যদি কওঁ আমাত কোনো পাপ নাই তেন্তে আমি
নিজে নিজকে ভুলাওঁ আৰু আমাৰ অন্তৰত সত্যতা নাই।
৯যদি আমি নিজ নিজ পাপবোৰ স্বীকাৰ কৰি লওঁ তেওঁ
আমাৰ পাপবোৰ ক্ষমা কৰিবলৈ তেওঁ বিশ্বাসী আৰু ধাৰ্মিক
ঈশ্বৰ। আৰু তেওঁ সকলো অধৰ্ম্মৰ পৰা আমাক শুচি কৰে।
১০আমি যদি পাপ নাই কৰা বুলি কওঁ তেন্তে আমি ঈশ্বৰক
মিছলীয়া পাঁতো আৰু আমাৰ অন্তৰত তেওঁৰ বাক্য নাই।

### যীচু আমাৰ সহায়কৰ্তা

২ ১হে মোৰ বোপাঁহত, মই তোমালোকলৈ এইকাৰণেই
এই কথা লিখিছোঁ যেন তোমালোকে পাপ নকৰা।
কিন্তু যদি কোনোবাই কৰে, ঈশ্বৰৰ আগত আমাৰ
পাপবোৰৰ পৰা ৰক্ষা কৰিবলৈ এজন আছে আৰু তেওঁ হল
ধাৰ্মিক যীচু খ্ৰীষ্ট। ২তেৰেঁই আমাৰ পাপৰ প্ৰায়শ্চিত্ত যিয়ে
আমাৰ পাপৰ বোজা বহন কৰে, কেৱল আমাৰেই নহয়
গোটেই জগতৰো।
৩যদি আমি ঈশ্বৰৰ আজ্ঞাবোৰ পালন কৰোঁ তেন্তে
এইটো সেই পথ যাৰ দ্বাৰাই আমি জানো যে সচাঁকৈ
তেওঁক আমি জানিলো। ৪কিন্তু যদি কোনোবাই “ঈশ্বৰক
জানো বুলি কয়!” আৰু তেওঁৰ আজ্ঞাবোৰ পালন নকৰে
তেন্তে তেওঁ মিছলীয়া। তেওঁৰ অন্তৰত সত্য নাই। ৫কিন্তু
যদি কোনোবাই ঈশ্বৰৰ বাক্যবোৰ পালন কৰে তেন্তে
তেওঁ ঈশ্বৰৰ প্ৰেমত পৰিপূৰ্ণতা পায়। এইটো সেই পথ
যাৰ দ্বাৰা এয়া নিশ্চিত হয় যে তেওঁত ঈশ্বৰ আছে।
৬যিজনে কয় যে তেওঁ ঈশ্বৰৰত স্হিত আছে বুলি, তেওঁ
যীচুৰ দৰে জীয়াই থকা উচিত।

### সকলোকে প্ৰেম কৰা

৭হে প্ৰিয়বিলাক মই তোমালোকলৈ কোনো নতুন আজ্ঞা
লিখিছোঁ এনে নহয়, কিন্তু আদিৰে পৰা তোমালোকে যি
পালা। সেই পুৰণি আজ্ঞাৰ সুসংবাদ যিটো তোমালোকে
শুনিলা। ৮মই তোমালোকলৈ আকৌ এটা নতুন আজ্ঞা
লিখিছোঁ। এই কথা যীচু খ্ৰীষ্টৰ আৰু তোমালোক উভয়তেই
সত্য হয়। কিয়নো আন্ধাৰ গুচি যাব ধৰিছে আৰু সম্প্ৰতি
প্ৰকৃত পোহৰ হৈ আহিছে।
৯যিজনে মই পোহৰত আছোঁ বুলি কয় আৰু নিজ ভাইক
ঘিণ কৰে, তেওঁ এতিয়ালৈকে আন্ধাৰতে আছে। ১০যিজনে
নিজ ভাইক প্ৰেম কৰে, তেওঁ পোহৰত থাকে। তেওঁৰ
জীৱনত এনে বিঘ্নজনক একো নাই যাৰ দ্বাৰা তেওঁ পাপত
পতিত হব।
১১কিন্তু যিজনে নিজ ভাইক ঘিন কৰে, তেওঁ আন্ধাৰত
আছে আৰু অন্ধকাৰময় জীৱন কটাইছে। তেওঁ নাজানে
যে তেওঁ কলৈ গৈ আছে। কিয়নো অন্ধকাৰে তেওঁৰ চকু
অন্ধ কৰিলে।

১২ হে মোৰ বোপাইঁত, মই তোমালোকলৈ এই কাৰণে
লিখিছোঁ,
কিয়নো যীচু খ্ৰীষ্টৰ গুণে তোমালোকৰ পাপ ক্ষমা
কৰা হল।
১৩ হে পিতৃসকল, মই তোমালোকলৈ এই কাৰণে
লিখিছোঁ,
কিয়নো তোমালোকে যি জনা আদিৰে পৰা আছে
তেওঁক জানা।
১৪ হে শিশুবিলাক, মই তোমালোকলৈ লিখিছোঁ
কিয়নো তোমালোকে পিতৃক জানিলা।
হে পিতৃসকল, মই তোমালোকলৈ লিখিছোঁ,
কিয়নো তোমালোকে যি সৃষ্টিৰ অনাদি
কালৰে পৰা স্হিত আছে তাক জানা,

হে ডেকাবিলাক, মই তোমালোকলৈ লিখিছোঁ,
কিয়নো তোমালোক বলৱন্ত,
ঈশ্বৰৰ বাক্য তোমালোকৰ অন্তৰত থাকে
আৰু তোমালোকে সেই দুষ্ট-আত্মাক জয় কৰিলা।

১৫জগতক বা জগতত থকা বিষয়বোৰক প্ৰেম নকৰিবা।
যদি কোনোবাই জগতক প্ৰেম কৰে তেন্তে তেওঁৰ অন্তৰত
ঈশ্বৰৰ প্ৰতি প্ৰেম নাই। ১৬কিয়নো এই জগতৰ সকলো
বস্ত:যি বিলাকে তোমালোকৰ মাংসিক অভিলাষ, চকুৰ
অভিলাষ, আৰু এই জগতৰ প্ৰতিটো বস্তু, যাৰ ওপৰত
লোকবিলাকে গৰ্ব্ব কৰে। এইবোৰ পৰম পিতৃৰ পৰা
উৎপন্ন নহয়, কিন্তু সেইবোৰ জগতৰহে। ১৭এই জগত নিজ
অভিলাষ আৰু ইচ্ছাৰে সৈতে গুচি যাব লাগিছে কিন্তু যি
জনে ঈশ্বৰৰ ইচ্ছা পালন কৰে, তেওঁ চিৰকাললৈ থাকে।

## খ্ৰীষ্ট বিৰোধীবিলাকৰ অনুসৰণ নকৰিবা

১৮হে শিশুবিলাক, শেষকাল উপস্থিত হৈছে! এই যি কথা
তোমালোকে শুনিলা আৰু খ্ৰীষ্টাৰি আহিব লাগিছে। সেয়ে
এতিয়া অনেক খ্ৰীষ্টাৰি হল। ইয়াৰ দ্বাৰাই আমি জানো যে
শেষ কাল উপস্থিত হৈছে। ১৯খ্ৰীষ্টাৰিবোৰ আমাৰ মাজৰ
পৰাই ওলাই গল, বাস্তৱত তেওঁলোক আমাৰ সমন্ধীয় নাছিল,
কিয়নো যদি তেওঁবিলাক আমাৰ সমন্ধীয় হোৱা হলে আমাৰ
লগতে থাকিলেহেতেন। কিন্তু তেওঁবিলাকে যে আমাৰ
সমন্ধীয় নহয় তাকে প্ৰকাশিত হবলৈ তেওঁবিলাক ওলাই গল।
২০কিন্তু তোমালোকে হলে সেই পৰম পবিত্ৰ জনাৰ
আত্মাৰ অভিষেক পালা। সেয়ে তোমালোকে সকলো
সত্যক জানা। ২১মই তোমালোকলৈ এই কাৰণে লিখিলো
যে তোমালোকে সত্যক নাজানা বুলি, এনে নহয় কিন্তু
তোমালোকে তাক জানা কিয়নো কোনো মিছা সত্যৰ পৰা
উ-পন্ন নহয়।
২২কিন্তু যি জনে যীচু খ্ৰীষ্ট নাই বুলি কয় তেওঁ মিছলীয়া।
সেইজন ব্যক্তি খ্ৰীষ্টাৰি, তেওঁ পিতৃ আৰু পুত্ৰকো অস্বীকাৰ
কৰে। ২৩যি জনে পুত্ৰক অস্বীকাৰ কৰে, তেওঁ পিতৃক পোৱা
নাই কিন্তু যি জনে পুত্ৰক স্বীকাৰ কৰে তেওঁ পিতৃকো পায়।
২৪তোমালোকৰ ক্ষেত্ৰত, তোমালোকে অনাদি কালৰে
পৰা যি শুনিলা, সেয়া তোমালোকৰ অন্তৰত থাকক। যি
তোমালোকে অনাদি কালৰে পৰা শুনিলা সেয়ে যদি
তোমালোকত থাকে, তেন্তে পুত্ৰ আৰু পিতৃত স্হিৰে থাকিবা।
২৫তেওঁ আমাক অনন্ত জীৱন দিবলৈ প্ৰতিজ্ঞা কৰিছে।
২৬যিবালাকে তোমালোকক ভুলাবলৈ যত্ন কৰি আছে,
তেওঁবিলাকৰ বিষয়ে মই এইবোৰ কথা লিখিলো। ২৭কিন্তু
তোমালোকৰ বিষয়ে হলে তোমালোকে যি বৰ্তমানৰ
অভিষেক পৰম পবিত্ৰৰ পৰা পালা। সেয়ে তোমালোকৰ
অন্তৰত থকাত তোমালোকক কোনোৱে যেন শিক্ষা দিয়ে
এনে কোনো প্ৰয়োজন নাই কিন্তু তোমালোকক সেই
আত্মা যিটো পৰম পবিত্ৰই তোমালোকক অভিষেক কৰিছে
আৰু সকলো বিষয়ে শিক্ষা দিছে।(মনত ৰাখিবা, সেয়াই
সত্য, মিছা নহয়।)তেওঁ যেনেকৈ তোমালোকক শিকালে
তোমালোকে তেনেকৈ তেওঁতে থাকা।
২৮এতেকে হে বোপাঁহত, তেওঁতেই থাকা, যেতিয়া
আমি তেওঁক জানিম তেন্তে সাহিয়াল হম। আৰু তেওঁৰ
পুন:আগমনৰ কালত লজ্জিত নহম। ২৯যদি তোমালোকে
ইয়াকে জানা যে তেওঁ ধাৰ্মিক তাতে তোমালোক ইয়াকো
জানি লোৱা যে যি ধৰ্ম্ম-আচৰন কৰে তেওঁ ঈশ্বৰৰেই সন্তান।

## আমি ঈশ্বৰৰ সন্তান

৩ ১চোৱা, পৰম পিতৃয়ে আমাক কিমান মহান প্ৰেম দান
কৰিলে! আমি যেন তেওঁৰ সন্তান বুলি প্ৰখ্যাত হওঁ,
বাস্তৱত আমি হৈছোঁও। এই কাৰণে জগতে আমাক চিনি
নাপায় কিয়নো জগতে খ্ৰীষ্টক নাজানিলে। ২হে প্ৰিয়বিলাক,
এতিয়া আমি ঈশ্বৰৰ সন্তান হৈ আছোঁ, কিন্তু পাছত কি
হম, সেয়া এতিয়ালৈকে প্ৰকাশিত হোৱা নাই। যি কি
নহওক আমি জানো যে খ্ৰীষ্ট প্ৰকাশিত হোৱা কালত আমি
তেওঁৰ নিচিনা হম কিয়নো তেওঁ যেনেকুৱা আছে আমি
তেওঁক তেনেকুৱাই দেখিম। ৩সেই প্ৰত্যেকেই যিবিলাকে
এনে আশা কৰিছে, তেওঁ নিজকে খ্ৰীষ্ট যেনে শুচি তেওঁ
তেনেকৈ শুচি কৰক।
৪যি কোনোৱে পাপ আচৰন কৰে, তেওঁ ঈশ্বৰৰ
বিধান লঙ্ঘন কৰে, কিয়নো বিধান লঙ্ঘন কৰাই পাপ।
৫তোমালোকে জানা যে, খ্ৰীষ্ট লোকবিলাকৰ পাপ দূৰ
কৰিবলৈ প্ৰকাশিত হল আৰু তেওঁত কোনো পাপ নাই।
৬যি কোনোৱে তেওঁত থাকে তেওঁ পাপ নকৰে, আৰু যি
কোনোৱে পাপ কৰি থাকে তেওঁ তেওঁক দেখা নাই আৰু
জনাও নাই।
৭হে মোৰ বোপাইঁত, তোমালোকক ভুলাবলৈ কাকো
নিদিবা। যি কোনোৱে ধৰ্ম-আচৰণ কৰে তেওঁ ধাৰ্মিক। খ্ৰীষ্ট
যেনে ধাৰ্মিক তেৱোঁ তেনে ধাৰ্মিক হয়। ৮যি কোনোৱে পাপ
আচৰণ কৰে, তেওঁ চয়তানৰ, কিয়নো চয়তানে অনাদি
কালৰে পৰা পাপ কৰি আহিছে। এই কাৰণেই ঈশ্বৰৰ পুত্ৰ
চয়তানৰ কৰ্ম্ম লুপ্ত কৰিবলৈ প্ৰকাশিত হল।
৯যি ঈশ্বৰৰ সন্তান হৈছে, তেওঁ পাপ নকৰে।কিয়নো
ঈশ্বৰৰ বীজ তেওঁৰ অন্তৰত থাকে। আৰু তেওঁ পাপ কৰিব
নোৱাৰে। কিয়নো তেওঁ ঈশ্বৰৰ সন্তান হল। ১০ঈশ্বৰৰ
সন্তান কোনবিলাক?আৰু চয়তানৰ সন্তান কোনবিলাক? যি
কোনোৱে ধৰ্ম্ম-আচৰণ নকৰে, আৰু নিজ ভায়েকক প্ৰেম
নকৰে, ঈশ্বৰৰ নহয়, এনে আচৰণৰ দ্বাৰাই জানি পাবা।

## পৰস্পৰে প্ৰেম কৰা

১১তোমালোকে এই শিক্ষা আদিৰে পৰা শুনি আহিছা, যেন
আমি পৰস্পৰে প্ৰেম কৰিব লাগে। ১২আমি কয়িনৰ[a] নিচিনা
হব নালাগে যি সেই দুষ্ট-আত্মাৰ পৰা হৈ নিজ ভায়েকক

[a] **৩:১২ কয়িন** কয়িন আৰু হেবেল আদম আৰু হৱাৰ পুত্ৰ আছিল।কয়িন হেবেলক হিংসা কৰিছিল সেয়ে তেওঁ তাক বধ কৰিলে। চাওক আদিপুস্তক ৪:১–১৬

বধ কৰিলে। তেওঁ নিজ ভায়েকক কিয় বধ কৰিলে? তেওঁ এই কাৰণে এনে কৰিলে যে তেওঁৰ কৰ্ম্ম মন্দ আছিল আৰু ভায়েকৰ কৰ্ম্ম ধৰ্ম্মময় আছিল।

১৩হে ভাইবিলাক, যদি জগতে তোমালোকক ঘিন কৰে, তেন্তে বিস্ময় নহবা। ১৪আমি জানো যে আমি মৃত্যুৰ পৰা জীৱনলৈ পাৰ হলোঁ। কিয়নো আমি ভাই বিলাকক প্ৰেম কৰোঁ। যি জনে প্ৰেম নকৰে তেওঁ মৃত্যুত থাকে। ১৫যি কোনোৱে নিজ ভায়েৰাক ঘৃণা কৰে তেওঁ নৰবধী, আৰু তোমালোকে জানা যে কোনো নৰ-বধীৰ নিজ সম্পতিৰ ৰূপত অনন্ত জীৱন নাথাকে।

১৬খ্ৰীষ্টই আমাৰ বাবে নিজৰ প্ৰাণ ত্যাগ দিলে।ইয়াৰ দ্বাৰাই আমি জানো প্ৰেমনো কি? আমিও ভাইবিলাকৰ কাৰণে নিজ নিজ প্ৰাণ দিয়া উচিত। ১৭সেয়ে যি জনৰ ওচৰত সাংসাৰিক জীৱিকাৰ উপায় আছে, আৰু তেওঁ যদি নিজ ভায়েৰাৰ অভাৱ দেখিও তেওঁলৈ দয়া নকৰে, তেনেহলে তেওঁৰ অন্তৰত যে ঈশ্বৰৰ প্ৰেম আছে তাক কেনেকৈ কব পৰা যাব? ১৮হে মোৰ বোপাইঁত আমি কেৱল প্ৰেম আৰু বাক্যতেই সীমিত হব নালাগে। কিন্তু কৰ্ম্ম আৰু সত্যতাৰে হব লাগে।

১৯ইয়াৰ দ্বাৰাই আমি জানিম যে আমি সত্যৰ পৰা হওঁ, আৰু ঈশ্বৰৰ আগত নিজ নিজ হৃদয় আশ্বাসযুক্ত কৰিম। ২০কোনো অপকৰ্ম্ম কৰিবলৈ যেতিয়া আমাৰ হৃদয়ক নিষেধ কৰে, ইয়াৰ কাৰণ এইয়ে যে ঈশ্বৰ আমাৰ হৃদয়তকৈয়ো মহান আৰু তেওঁ সকলো জানে।

২১হে মোৰ বোপাইঁত, যদি কিবা অপকৰ্ম্ম কৰোতে আমাৰ হৃদয়ে যদি আমাক দোষী নকৰে, তেন্তে ঈশ্বৰৰ উদ্দেশ্যে আমাৰ বিশ্বাস আছে। ২২আৰু আমি যিহক যাচনা কৰোঁ তাকে পাওঁ। কিয়নো আমি তেওঁৰ আজ্ঞাবোৰ পালন কৰোঁ আৰু তেওঁৰ দৃষ্টিত যি সন্তোষজনক তাকে কৰোঁ। ২৩তেওঁ দিয়া আজ্ঞা এয়ে যে, আমি তেওঁৰ পুত্ৰ যীচু খ্ৰীষ্টৰ নামত বিশ্বাস কৰোঁ যেনেকৈ তেওঁ আমাক আজ্ঞা দিলে, আমি যেন পৰস্পৰে প্ৰেম কৰোঁ। ২৪যি জনে তেওঁৰ আজ্ঞাবোৰ পালন কৰে তেওঁ তেওঁতেই থাকে, আৰু ঈশ্বৰেও তেওঁত নিবাস কৰে। এইদৰে সেই আত্মাৰ দ্বাৰা যিটো ঈশ্বৰে আমাক দিছে তাৰ দ্বাৰাই আমি জানো যে আমাৰ হৃদয়ত ঈশ্বৰে নিবাস কৰে।

### ভাঁৰি কোৰা শিক্ষক বিলাকৰ পৰা সাৱধান হোৱা

**4** ১হে প্ৰিয়বিলাক, সকলো আত্মাক বিশ্বাস নকৰিবা। কিন্তু সেইবিলাক পৰীক্ষা কৰি চাবা সেইবিলাক ঈশ্বৰৰ হয় নে নহয়? মই তোমালোকক এই কাৰণে কৈছোঁ কাৰণ অনেক ভাঁৰি কোৰা ভাৱবাদী জগতত ওলাল। ২ঈশ্বৰৰ আত্মাক ইয়াৰে জানিব পাৰিবা, যীচু খ্ৰীষ্ট যে মানুহৰ ৰূপত জগতলৈ আহিল, ইয়াক যি সকলো আত্মাই স্বীকাৰ কৰে সেই সকলো আত্মা ঈশ্বৰৰ। ৩আৰু যি বোৰ আত্মাই যীচু খ্ৰীষ্টক স্বীকাৰ নকৰে, সেইবোৰ ঈশ্বৰৰ পৰা নহয়। এনে ব্যক্তি খ্ৰীষ্টাৰি, যাৰ বিষয়ে তোমালোকে শুনি আহিছা, সেয়ে আহি আছে, বাস্তৱত সেয়ে এতিয়া জগতত উপস্হিত আছে।

৪হে মোৰ বোপাইঁত, তোমালোক ঈশ্বৰৰ হোৱা। সেয়ে তোমালোকে খ্ৰীষ্টৰ শত্ৰুবিলাকক পৰাজয় কৰিলা। কিয়নো সেই ঈশ্বৰ যি তোমালোকত আছে, সংসাৰত থকা চয়তানতকৈ মহান। ৫খ্ৰীষ্টাৰি বিলাক জগতৰ, সেয়ে তেওঁবিলাকে যি কয় সেই সকলো জগতৰ, আৰু জগতেওঁ তেওঁবিলাকৰ কথা শুনে। ৬কিন্তু আমি হলে ঈশ্বৰৰ সেয়ে যি জনে ঈশ্বৰক জানে তেওঁ আমাৰ কথা শুনে। কিন্তু যি জনে ঈশ্বৰৰ নহয় তেওঁ আমাৰ কথা নুশুনে। ইয়াৰ দ্বাৰাই আমি সত্যৰ আত্মা আৰু ভ্ৰান্তিৰ আত্মাক জানিব পাৰোঁ।

### প্ৰেম ঈশ্বৰৰ পৰা পোৱা যায়

৭হে প্ৰিয়বিলাক, আহাঁ আমি পৰস্পৰে প্ৰেম কৰোঁহক, কিয়নো প্ৰেম ঈশ্বৰৰ পৰা হয়, আৰু যি কোনোৱে প্ৰেম কৰে তেওঁ ঈশ্বৰৰ সন্তান হৈ গৈছে আৰু ঈশ্বৰক জানে। ৮যি জনে প্ৰেম নকৰে তেওঁ ঈশ্বৰক নাজানে। কিয়নো ঈশ্বৰেই প্ৰেম। ৯ঈশ্বৰে তেওঁৰ প্ৰেমক এনেদৰে প্ৰকাশিত কৰিলে যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰক এই জগতলৈ পঠিয়ালে যাতে তেওঁৰ পুত্ৰৰ দ্বাৰা আমি জীৱন লাভ কৰোঁ। ১০সচাঁ প্ৰেম আমি যে ঈশ্বৰক প্ৰেম কৰিলোঁ এনে নহয়, কিন্তু তেওঁহে আমাৰ পাপৰ পৰা প্ৰায়শ্চিত্ত হবলৈ তেওঁ নিজ পুত্ৰক পঠাই আমাৰ প্ৰতি তেওঁৰ প্ৰেম প্ৰকাশিত কৰিলে।

১১হে প্ৰিয়বিলাক, যদি ঈশ্বৰে আমাক এনে প্ৰেম কৰিলে, তেন্তে আমিও পৰস্পৰে প্ৰেম কৰিব কৰা উচিত। ১২ঈশ্বৰক কোনেও কেতিয়াও দেখা নাই, কিন্তু আমি যদি পৰস্পৰে প্ৰেম কৰোঁ তেন্তে ঈশ্বৰ আমাত থাকে, আৰু তেওঁৰ প্ৰেম আমাত সম্পূৰ্ণৰূপে সিদ্ধ হয়।

১৩এইদৰে আমি জানো যে আমি তেওঁত নিবাস কৰোঁ আৰু তেওঁ আমাত থাকে। কিয়নো তেওঁ নিজ আত্মাৰ কিছু অংশ আমাক দান কৰিছে। ১৪জগতৰ ত্ৰাণকৰ্তা হবলৈ পৰম পিতৃয়ে নিজ পুত্ৰক পঠালে। ইয়াকে দেখি আমি সাক্ষ্য দিছোঁ। ১৫যদি কোনোবাই স্বীকাৰ কৰে যে, "যীচু ঈশ্বৰৰ পুত্ৰ হয়" তেন্তে ঈশ্বৰ তেওঁত নিবাস কৰে আৰু তেৱোঁ ঈশ্বৰত থাকে। ১৬এতেকে আমি জানিলো যে আমি নিজৰ বিশ্বাসেৰে সেই প্ৰেমতেই আছোঁ যিটো আমাৰ ঈশ্বৰত আছে। ঈশ্বৰ প্ৰেম, আৰু যি জন প্ৰেমত স্হিৰে থাকে, তেওঁ ঈশ্বৰত থাকে, আৰু ঈশ্বৰো তেওঁত থাকে। ১৭ইয়াতে প্ৰেম আমাৰে সৈতে সিদ্ধ হয় যাতে সোধবিচাৰৰ দিনা আমি বিশ্বাসত স্হিৰে থাকো।আমাৰ এই বিশ্বাস এই কাৰণেই স্হিৰে আছে কিয়নো খ্ৰীষ্ট যেনেকুৱা আমিও এই জগতত তেনেকুৱাই আছোঁ। ১৮প্ৰেমত ভয় নাই, কিন্তু সিদ্ধ প্ৰেমে ভয়ক দূৰ কৰে। কিয়নো ভয় দণ্ডযুক্ত, সেয়ে যি জনে ভয় কৰে তেওঁ এতিয়াও প্ৰেমত সিদ্ধ নহয়।

১৯আমি প্ৰেম কৰোঁ কিয়নো প্ৰথমে ঈশ্বৰে আমাক প্ৰেম কৰিলে। ২০যদি কোনোবাই কয়, "মই ঈশ্বৰক প্ৰেম কৰোঁ" আৰু নিজ ভাইক ঘিণ কৰে তেন্তে তেওঁ মিছলীয়া, কিয়নো

যি ভাইক দেখিলে তেওঁক যদি প্ৰেম নকৰে, তেন্তে যি ঈশ্বৰক তেওঁ দেখা নাই তেওঁক প্ৰেম কৰিব নোৱাৰে। ২১খ্ৰীষ্টৰ পৰা আমি এই আজ্ঞা পালোঁ, যে যি জনে ঈশ্বৰক প্ৰেম কৰে তেওঁ নিজ ভাইকো প্ৰেম কৰিব লাগে।

### ঈশ্বৰৰ সন্তান বিলাকে জগতত জয়ী হয়

৫ ১যীচু যে খ্ৰীষ্ট হয় ইয়াক যি কোনোৱে বিশ্বাস কৰে, তেওঁ ঈশ্বৰৰ সন্তান হয়, আৰু যি কোনোৱে পৰম পিতৃক প্ৰেম কৰে তেওঁ তেওঁৰ সন্তানকো প্ৰেম কৰিব। ২এইদৰে যেতিয়া আমি ঈশ্বৰক প্ৰেম কৰোঁ, আৰু তেওঁৰ আজ্ঞা পালন কৰোঁ।তেতিয়া ইয়াৰ দ্বাৰাই আমি জানো যে আমি ঈশ্বৰৰ সন্তানবিলাককো যে প্ৰেম কৰোঁ। ৩তেওঁৰ আজ্ঞাবোৰ পালন কৰাৰ অভিপ্ৰায় এয়ে যে আমি ঈশ্বৰক প্ৰেম কৰোঁ, তেওঁৰ আজ্ঞাবোৰ ববলৈ গধূৰ নহয়। ৪কিয়নো যি কোনোৱে ঈশ্বৰৰ সন্তান হৈ যায় তেওঁ জগতক জয় কৰে। আৰু জগতক জয় কৰা যি জয় সেয়ে আমাৰ বিশ্বাস। ৫যি কোনোৱে যীচু যে ঈশ্বৰৰ পুত্ৰ হয় বুলি বিশ্বাস কৰে তেৱেঁই জগতত বিজয়ী হয়।

### ঈশ্বৰৰ কথন:নিজ পুত্ৰৰ বিষয়ে

৬সেই জনাই যীচু খ্ৰীষ্ট, যি আমাৰ মাজত জল আৰু তেজেদি আহিল। কেৱল জলেৰেই নহয় কিন্তু জল আৰু তেজৰে সৈতে। আৰু সেয়ে আত্মা আৰু তেওঁৰ সাক্ষ্য দিছে, কিয়নো আত্মা সত্য। ৭সাক্ষ্য দিওঁতা তিনি ৮আত্মা, জল, আৰু তেজ এই তিনিওৰো সাক্ষ্য এক।

৯যদি আমি মানুহবিলাকৰ দিয়া সাক্ষ্য গ্ৰাহ্য কৰোঁ তেন্তে ঈশ্বৰৰ দ্বাৰা দিয়া সাক্ষ্য তাতোতকৈ শ্ৰেষ্ঠ। ঈশ্বৰৰ সাক্ষ্যৰ এয়ে যে তেওঁ নিজৰ পুত্ৰৰ বিষয়ে সাক্ষ্য দিলে। ১০যি জনে ঈশ্বৰৰ পুত্ৰত বিশ্বাস কৰে, তেওঁ সেই সাক্ষ্য নিজৰ অন্তৰত ৰাখে। ঈশ্বৰে যি কলে তাৰ ওপৰত যি জনে বিশ্বাস নকৰে তেওঁ ঈশ্বৰক মিছলীয়া পাতিলে। কিয়নো তেওঁ সেই সাক্ষ্যত বিশ্বাস নকৰিলে যি সাক্ষ্য ঈশ্বৰে নিজ পুত্ৰৰ বিষয়ে দিলে। ১১আৰু সেই সাক্ষ্য এয়ে যে ঈশ্বৰে আমাক অনন্ত জীৱন দিলে, আৰু সেই জীৱন তেওঁৰ পুত্ৰৰ দ্বাৰা প্ৰাপ্তি হয়। ১২যি জনে তেওঁৰ পুত্ৰক পালে তেওঁৰ সেই জীৱন আছে, কিন্তু যি জনে ঈশ্বৰৰ পুত্ৰক পোৱা নাই তেওঁৰ লগত জীৱনো নাই।

### এতিয়া অনন্ত জীৱন আমাৰ

১৩ঈশ্বৰত বিশ্বাস কৰা যি তোমালোক, মই এইকাৰণেই তোমালোকলৈ এইবোৰ কথা লিখিলোঁ যাতে তোমালোকে জানা যে অনন্ত জীৱন তোমালোকৰ ওচৰতে আছে। ১৪আমাৰ ঈশ্বৰত আমাৰ এই বিশ্বাস আছে যে যদি আমি তেওঁৰ ইচ্ছাৰ দৰে কিবা যাচনা কৰোঁ তেন্তে তেওঁ আমাৰ সেই যাচনা শুনে। ১৫আৰু এতিয়া আমি জানো যে তেওঁ আমাৰ যাচনা শুনে তেন্তে তেওঁক যিহকেই যাচনা কৰিলোঁ সেই সকলোকে পালোঁ বুলি আমি জানো।

১৬যদি কোনোবাই নিজ ভাইক মৃত্যুজনক নোহোৱা পাপ কৰা দেখে, তেন্তে তেওঁ নিজ ভাইৰ কাৰণে প্ৰাৰ্থনা কৰিব লাগে। ঈশ্বৰে তেওঁক জীৱন দিব। মই তেওঁবিলাকৰ জীৱনৰ বিষয়ে কথা কৈছোঁ যিবিলাকে এনেধৰণৰ পাপত পতিত হৈ আছে যি তেওঁবিলাকক অনন্ত মৃত্যুলৈ নিনিয়ে। মৃত্যুজনক পাপ আছেই। মই তোমালোকক এনেধৰণৰ পাপৰ সমন্ধে প্ৰাৰ্থনা কৰিবলৈ কোৱা নাই। ১৭সকলো অধৰ্ম্মই পাপ। কিন্তু মৃত্যুজনক নোহোৱা পাপো আছে।

১৮আমি জানো যে যি জন ঈশ্বৰৰ সন্তান, তেওঁ পাপ কৰি নাথাকে। যিহেতু ঈশ্বৰৰ পুত্ৰই তেওঁক ৰক্ষা কৰে।[a] দুষ্টই তেওঁৰ একো অপকাৰ কৰিব নোৱাৰে। ১৯আমি জানো যে আমি ঈশ্বৰৰ পৰা হওঁ। আৰু গোটেই জগত সেই পাপ আত্মাৰ অধীনত থাকে। ২০কিন্তু আমি জানো যে ঈশ্বৰৰ পুত্ৰ আহিল আৰু তেওঁ আমাক জ্ঞান দিলে যাতে আমি ঈশ্বৰক জানো যি জনা সত্য। আৰু আমি তেওঁতেই স্হিত আছোঁ, যি জনা সত্য কিয়নো আমি তেওঁৰ পুত্ৰ যীচু খ্ৰীষ্টত আছোঁ। পৰম পিতৃয়েই সত্য ঈশ্বৰ আৰু তেৱেঁই অনন্ত জীৱন। ২১হে বোপাইঁত, নিজক মিছা দেৱতাবোৰৰ পৰা ৰক্ষা কৰা।

[a] **৫:১৮ কিন্তু … থাকে** শব্দৰ অৰ্থ, "যি ঈশ্বৰৰ পৰা উ-পন্ন হৈছে তেওঁক তেওঁ ধৰি ৰাখে।" বা "নিজে নিজকে ধৰি ৰাখে।"